بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩০ ডিচেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ খুৰাদেউ মহামান্য বদৰি চাহাবী হজৰত হামজা (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ ঈমান বৰ্দ্ধক বৰ্ণনা।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাৰ শেষ ভাগত মই কৈছিলো যে বদৰি চাহাবা সকলৰ বিষয়ে বৰ্ণনা কৰা শেষ হৈছে। কিন্তু কিছুমান চাহাবা আছে যি সকলৰ বিষয়ে আগতে বৰ্ণনা কৰা হৈছে যদিও তেখেত সকলৰ বিষয়ে আৰু কিছুমান কথা ৰৈ আছে, যিবোৰ এতিয়া পোহৰলৈ আহিছে। সুবিধা বুজি সেইবোৰ বৰ্ণনা কৰা হ'ব। নাইবা এই বৰ্ণনাবোৰ যেতিয়া ছপা কৰি উলিওৱা হ'ব তেতিয়া তাত উল্লেখ কৰা হ'ব। কিছুমান লোকে মোলৈ লিখি আছে যে এইবোৰ ইতিহাস শুনিবলৈ পাই তেওঁলোকৰ বৰ লাভ হৈছে। সেয়ে মই চিন্তা কৰিছোঁ যে এই অংশ খিনিও খোতবাৰ মাজত উল্লেখ কৰা যাওঁক। সেয়ে মই প্ৰথমে হজৰত হামজা (ৰাঃ)ৰ বিষয়ে বৰ্ণাবলৈ ওলাইছো। এখেত (ৰাঃ) আঁহজৰত (ছাঃ)ৰ খুৰাদেউ আছিল আৰু তেখেত (ছাঃ)ক বৰ মৰম কৰিছিল। আঁহজৰত (ছাঃ)য়ে হামজা নামটো বৰ পছন্দ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে হজৰত হামজা (ৰাঃ)ৰ পত্নী আৰু তাইৰ গৰ্ভত জন্ম লোৱা সন্তান সকলৰ বিষয়ে চমু বৰ্ণনা কৰাৰ পিছত কয় হজৰত হামজা (ৰাঃ)ৰ কবুলে ইছলাম সম্পৰ্কে ৰিৱায়তত আছে যে যেতিয়া তেখেত (ৰাঃ)য়ে ক্ৰোধান্বিত অৱস্থাত এয়া কৈছিল যে হয়; মই মহম্মদ (ছাঃ)ৰ ধৰ্মত আছো। তেখেত (ৰাঃ)য়ে কৈছে যে পিছত মোৰ অনুশোচনা আহিছিল যে মই মোৰ পূৰ্বপুৰুষৰ ধৰ্ম ত্যাগ কৰি দিলো। মই গোটেই ৰাতি শুব পৰা নাছিলো। ইয়াৰ পিছত মই খানা কাবাৰ ওচৰত আহি আল্লাহ তা'লাৰ ওচৰত কান্দি কান্দি কৈছিলো হে আল্লাহ ! তুমি মোৰ হৃদয় সত্যৰ ফালে মুকলি কৰি

দিয়া আৰু সন্দেহ  দূৰ কৰি দিয়া। মই মোৰ দোৱা কৰা শেষেই কৰা নাছিলো এনেতে বাতিল মোৰ পৰা দূৰ হৈ গৈছিল। ইয়াৰ পিছত মই হুজুৰ (ছাঃ)ৰ ওচৰত গৈ হাজিৰ হৈ সকলো ঘটনা, অৱস্থা বৰ্ণনা কৰি শুনাইছিলো। সকলো বিৱৰি শুনি হুজুৰ (ছাঃ)য়ে মোৰ বাবে দৃঢ় পদক্ষেপ ৰখাৰ দোৱা কৰে। আন এটা ৰিৱায়ত অনুসৰি হজৰত হামজা (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰত আবেদন জনাইছিল যে তেখেত (ৰাঃ)ক হজৰত জিব্ৰাইল (আঃ)য়ে যেন তাৰ প্ৰকৃত ৰূপ ধাৰণ কৰি দেখা দিয়ে। এই কথা শুনি নবী কৰিম (ছাঃ)য়ে কৈছিল যে তুমি জিব্ৰাইলক দেখাৰ শক্তি ৰখা নাই। তথাপি হজৰত হামজা (ৰাঃ)য়ে আঁকোৰ গোজালি কৰাত আঁহজৰত (ছাঃ )য়ে কৈছিল নিজৰ ঠাইত বহি যোৱা। ৰাৱীয়ে কৈছে যে তেতিয়া হজৰত জিব্ৰাইল (আঃ)য়ে খানা কাবাৰ সেই কাঠ ডোখৰৰ ওপৰত আহি নামে য'ত মুশৰিক সকলে তোয়াফ (প্ৰদিক্ষণ) কৰাৰ সময়ত নিজৰ কাপোৰ কানি ৰখা কৰিছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত হামজা (ৰাঃ)ক কৈছিল নিজৰ দৃষ্টি ওপৰলৈ উঠোৱা। যেতিয়া তেখেত (ৰাঃ)য়ে চকু মেলি চাইছিল, তেতিয়া দেখিবলৈ পাইছিল যে জিব্ৰাইল (আঃ)ৰ দুয়োখন ভৰি এটা মূল্যবান সেউজীয়া পাথৰ জুবৰ জদৰ দৰে, এই দৃশ্য চাই হজৰত হামজা (ৰাঃ)য়ে অচেতন হৈ পৰিছিল।

২ হিজৰি চনৰ চফৰ মাহত আঁহজৰত (ছাঃ)য়ে মুহাজেৰিণ সকলৰ এটা জামাত লগত লৈ আৱউৱাৰ যুদ্ধলৈ যাত্ৰা কৰে, এই যুদ্ধত ইছলামৰ পতাকা হজৰত হামজা (ৰাঃ)ৰ হাতত আছিল। চন ২ হিজৰিৰ জামাদিল আউৱাল মাহত হুজুৰ (ছাঃ)য়ে আকৌ কুৰাইছ্ মক্কাৰ ফালৰ পৰা কোনো এটা সংবাদ পাই মুহাজেৰিণ সকলৰ প্ৰায় দুশজন চাহাবাৰ এটা দল লগত লৈ আঁহজৰত (ছাঃ)য়ে যুদ্ধ যাত্ৰা কৰে। এইবাৰও ইছলামৰ পতাকা হজৰত হামজা (ৰাঃ)ৰ হাতত দিয়া হৈছিল। বদৰৰ যুদ্ধত অকলশৰীয়া ভাৱে এজনে এজনৰ লগত কৰা যুদ্ধৰ আহ্বানৰ সময়ত কুৰাইছৰ সৈন্যৰ ফালৰ পৰা উতবা আৰু তাৰ ভাই আৰু পুতেক অলিদক লগত লৈ সৈন্য শাৰী এৰি আগলৈ বুলি ওলাই আহে আৰু আৰবৰ পুৰণি ৰীতি অনুযায়ী এজনে যুদ্ধ কৰিবলৈ আহ্বান কৰে। আনছাৰ সকলৰ ফালৰ পৰা তেওঁলোকৰ লগত প্ৰতিদ্বন্দ্বিতাৰ বাবে আগবাঢ়ি আহে। কিন্তু আঁহজৰত (ছাঃ)য়ে এওঁলোকক নিষেধ কৰি হজৰত আলি (ৰাঃ), হজৰত হামজা (ৰাঃ) আৰু হজৰত উবেয়দা বিন মুতালিব (ৰাঃ)ক আগবাঢ়ি যাবলৈ নিৰ্দেশ দিয়ে। এখেত সকল তিনিও জন আঁহজৰত (ছাঃ)ৰ ঘনিষ্ঠ আত্মীয় আছিল আৰু আঁহজৰত (ছাঃ)য়ে এয়াই বিচাৰিছিল যে সকলো বিপদ জনক অৱস্থাত যেন তেখেত (ছাঃ)ৰ আত্মীয় সকলেই সকলোৰে আগত আগবাঢ়ি যায়। উবেয়দা বিন মুতালিব অলিদৰ বিৰুদ্ধে, হামজা (ৰাঃ) উতবাৰ বিৰুদ্ধে আৰু হজৰত আলি (ৰাঃ) শ্বোয়েবাৰ বিৰুদ্ধে যুদ্ধ দিবলৈ আগবাঢ়ি যায়। হজৰত হামজা (ৰাঃ) আৰু হজৰত আলি (ৰাঃ)য়ে নিজৰ নিজৰ প্ৰতিদ্বন্দ্বিক নিমিষতে মষিমুৰ কৰি পেলায়, কিন্তু উবেয়দা আৰু অলিদৰ মাজত ভালেখিনি হানাহানি হয় অৱশেষত দুয়োজনে আঘাত প্ৰাপ্ত হৈ পৰে এনেতে হজৰত আলি (ৰাঃ) আৰু হজৰত হামজা (ৰাঃ)য়ে আগুৱাই গৈ অলিদক হত্যা কৰি উবেয়দা (ৰাঃ)ক উঠাই

কেম্পলৈ লৈ আনে যদি আঘাতৰ প্ৰকোপত অসুস্থ হৈ পৰে আৰু ওভতি অহাৰ বাটত মৃত্যু বৰণ কৰে।

মদ পান নিষিদ্ধ ঘোষণা হোৱাৰ আগত হজৰত হামজা (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ উটনীক নিচা গ্ৰস্থ অৱস্থাত নিৰ্দয় ভাৱে মাৰি পেলাইছিল। যেতিয়া হজৰত আলি (ৰাঃ)য়ে এই ঘটনা সম্পৰ্কে গম পায় তেতিয়া এখেত (ৰাঃ)য়ে মনত বৰ দুখ পায় আৰু আঁহজৰত (ছাঃ)ৰ ওচৰত সকলো ঘটনা বৰ্ণনা কৰে। আঁহজৰত (ছাঃ)য়ে বিতং ভাৱে সকলো শুনি মেলি ঘটনাস্থলী পৰিদৰ্শন কৰে আৰু ক্ৰোধ প্ৰকাশ কৰে। হজৰত হামজা (ৰাঃ) তেতিয়াও নিচা গ্ৰস্থ অৱস্থাতে আছিল গতিকে তেখেতে এখেত সকলক দেখি ক'বলৈ লয় যে তোমালোকে মোৰ দেউতা, ককাদেউতাৰ গোলাম হয়। উক্ত কথাবোৰ শুনি আঁহজৰত (ছাঃ)য়ে তাৰ পৰা ওভতি আহে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেতিয়া মদ পান হাৰাম বুলি ঘোষণা হৈছিল তেতিয়াৰে পৰা চাহাবা সকলে মদৰ ওচৰলৈ যোৱা নাছিল। এয়াই আছিল চাহাবা সকলৰ মানদণ্ড।

কিনাকাৰ যুদ্ধতও হজৰত হামজা (ৰাঃ)য়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই যুদ্ধতও ইছলামৰ পতাকা হজৰত হামজা (ৰাঃ)ৰ হাতত আছিল। বনু কিনাকা মদিনাৰ ইহুদী সকলৰ সেই কবিলা আছিল যিয়ে আঁহজৰত (ছাঃ)ৰ লগত সাব্যস্ত কৰা চুক্তি সৰ্বপ্ৰথমে উলঙ্গা কৰিছিল। বদৰৰ যুদ্ধৰ পিছত এওঁলোকে প্ৰৱঞ্চনা কৰিবলৈ আৰম্ভ কৰে আৰু হিংসা বিদ্বেষ প্ৰকাশ কৰি চুক্তি ভঙ্গ কৰে। এজনী মুছলমান মহিলাই বজাৰত কোনো এজন ইহুদীৰ দোকানত বস্তু কিনিবলৈ যোৱাত কিছুমান দুষ্ট ডেকা ল'ৰাই তাইক বেয়াকৈ জোকাই লাঞ্চিত অপমানিত কৰে। দোকানদাৰ নিজেও এনেকুৱা বেয়া দুষ্টামি কৰে যে মহিলাজনীয়ে নিজৰ আঁচলেৰে মূখ ঢাকি আহিবলৈ লোৱাত কিবা কাঁইটেৰে তাইৰ পিছ ফালৰ পৰা কাপোৰ টানি ধৰাত তাই বস্ত্ৰহীন হৈ পৰে। এই দৃশ্য চাই সেই ইহুদীজনে খেক-খেকাই হাঁহি উঠে। মুছলমান মহিলাজনীয়ে লাজতে চিঞৰ মাৰে আৰু সহায় বিচাৰে। এনেতে তাত এজন মুছলমান গৈ উপস্থিত হয় আৰু ইহুদী জনৰ লগত কাজিয়া হয় আৰু ইহুদী দোকানদাৰ জনৰ মৃত্যু হয়। এই ঘটনা সংঘটিত হোৱাৰ লগে লগে চাৰিও ফালৰ পৰা সেই মুছলমান জনৰ ওপৰত তৰোৱালেৰে আক্ৰমণ চলায়, ফলত সেই সন্মানজনক মুছলমান জন নিহত হয়। উক্ত ঘটনাৰ পৰা মুছলমান আৰু ইহুদী সকলৰ মাজত এটা বিষ ভাৱৰ জন্ম হয়। যেতিয়া এই খবৰ আঁহজৰত (ছাঃ)য়ে জানিব পাৰে তেতিয়া তেখেত (ছাঃ)য়ে বনু কিনাকাৰ চৰদাৰ সকলক মাতি পঠিয়ায় আৰু তেওঁলোকক কয় যে এয়া ভাল কাম হোৱা নাই। তোমালোকে ক্ষান্ত হোৱা আৰু খোদা তা'লাক ভয় কৰা। এই কথা শুনি বনু কিনাকাৰ চৰদাৰ সকলে অনুতাপ অনাৰ সলনি তেওঁলোকে গৰ্বেৰে উত্তৰ দিয়ে যে বদৰৰ যুদ্ধত জয়লাভ কৰি অহংকাৰ নকৰিবা। যেতিয়া আমাৰ লগত মোকাবিলা হ'ব তেতিয়া গম পাবা যে যুদ্ধ কৰোঁতা কেনেকুৱা হয়। অতি দুৰ্বল তেখেত (ছাঃ)য়ে চাহাবা সকলৰ এটা সৰু দল লৈ বনু কিনাকাৰ দুৰ্গৰ ফালে যাত্ৰা কৰে। বনু কিনাকা কবিলায়ও তৎক্ষণাত যুদ্ধৰ বাবে প্ৰস্তুতি লয় আৰু দুৰ্গ

বন্ধ কৰি লয়। মুছলমান সকলে বনুকিনাকাৰ দুৰ্গ অৱৰোধ কৰে। পোন্ধৰ দিনজুৰি এই অৱৰোধ চলি থাকে। অৱশেষত যেতিয়া বনু কিনাকাৰ শক্তি বল কমি আহে তেতিয়া এটা চৰ্ত সাপেক্ষে দুৰ্গৰ দুৱাৰ খুলি দিয়ে যে সিহঁতৰ ধনমাল মুছলমান সকলৰ হৈ যাব কিন্তু সিহঁতৰ প্ৰাণ আৰু পৰিয়াল বৰ্গৰ ওপৰত কোনো কৰ্তৃত্ব নাথাকিব। আঁহজৰত (ছাঃ)য়ে এই চৰ্ত মানি লয়। মুছাই চৰিয়ত অনুযায়ী বনুকিনাকাৰ লোক মৃত্যু দণ্ডৰ উপযুক্ত আছিল। কিন্তু সিহঁতৰ ফালৰ পৰা এয়া আছিল প্ৰথম অন্যায় কাৰ্য আৰু দ্বিতীয়তে আঁহজৰত (ছাঃ)ৰ দয়ালু মানসিকতা শাস্তিৰ ফালে আছিল যদিও সেয়া আছিল এক ধৰণৰ চিকিৎসাৰ দৰে, যাৰ ফলত প্ৰথমেই সেই পদক্ষেপ গ্ৰহণ কৰা নাছিল। আনফালে এই কবিলাৰ লোক মদিনাত থকাটো মাৰে আছতিনতকৈ (বন্ধু শত্ৰুতাত পৰিৱৰ্তন হৈ যোৱাতকৈ) কম নহয়। গতিকে আঁহজৰত (ছাঃ)য়ে বনু কিনাকাৰ ওপৰত ৰায় প্ৰদান কৰিছিল যে তেওঁলোকে যেন মদিনা এৰি গুচি যায়। এই ৰায় তেওঁলোকে কৰা অন্যায় অনুযায়ী বৰ কোমল আছিল, য'ত নিজৰ নিৰাপত্তাৰ বিষয়ে ভাৰিব লগীয়া আছিল। অৱশেষত বনু কিনাকাৰ লোকে শান্তিপূৰ্ণ ভাৱে মদিনাৰ পৰা স্বামৰ ফালে গুচি যায়।

হজৰত হামজা (ৰাঃ)য়ে উহুদৰ যুদ্ধত শ্বহীদ হৈছিল। এই খবৰ আল্লাহ তা'লাৰ সপোনৰ জৰিয়তে আঁহজৰত (ছাঃ)ক অৱগত কৰি দিছিল। গতিকে আঁহজৰত (ছাঃ)য়ে সপোনত দেখিছিল যে তেখেত (ছাঃ)য়ে এটা দুম্বাৰ পিছে পিছে গৈ আছে আৰু তাক মাৰি পেলাইছে। এনেদৰে দেখিবলৈ পায় যে তেখেত (ছাঃ)ৰ তৰোৱালৰ চুটি ভাঙি গৈছে। আঁহজৰত (ছাঃ)য়ে এই সপোনৰ অৰ্থ এনেদৰে লয় যে দুম্বাক মাৰি পেলোৱা মানে তেখেত (ছাঃ)য়ে শত্ৰু সকলৰ সেনাপতিক ধ্বংস কৰিব আৰু তৰোৱালৰ চুটি ভাঙি যোৱাৰ অৰ্থ হ'ল এই যুদ্ধত তেখেত (ছাঃ)ৰ কোনোবা এজন ঘনিষ্ঠ আত্মীয় শ্বহীদ হ'ব। গতিকে ঠিক তেনেদৰেই যুদ্ধত হজৰত হামজা (ৰাঃ) শ্বহীদ হৈছিল আৰু হুজুৰ (ছাঃ)য়ে মুশৰিক সকলৰ চৰদাৰ তালহাক হত্যা কৰিছিল।

হজৰত হামজা (ৰাঃ)য়ে শ্বহীদ হৈ যোৱাৰ পিছত তেখেত (ৰাঃ)ৰ নাক কান কাফিৰ সকলে কাটি পেলাইছিল। এখেত (ৰাঃ)ৰ চেহেৰা নষ্ট কৰি পেলাইছিল। যেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত হামজা (ৰাঃ)ৰ এনেকুৱা অৱস্থা দেখিবলৈ পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে মনত বৰ আঘাত পাইছিল। আন এটা ৰিৱায়ত অনুযায়ী এনেকুৱা অৱস্থা দেখা পাই আঁহজৰত (ছাঃ)য়ে কৈছিল যে মই কুৰাইছ সকলৰ ত্ৰিছজন আন এটা ৰিৱায়ত অনুযায়ী তেখেত (ছাঃ)য়ে শপত খাই কৈছিল কুৰাইছ সকলৰ সত্তৰজন লোকৰ নাক কান কাটি দিম অৰ্থাৎ মুছল্লা কৰিম। যাৰ ফলত এই আয়াত নাযিল হৈছিল যে আৰু যদি তুমি শাস্তি দিয়া তেন্তে ইমান খিনি শাস্তি দিয়া যিমানখিনি তোমালোকক দিয়া হৈছে। আৰু যদি ধৈৰ্য ধাৰণ কৰা তেন্তে নিশ্চয় এয়া উত্তম হ'ব। সেয়ে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে ধৈৰ্য ধাৰণ কৰিম, আৰু নিজৰ শপতৰ বাবে প্ৰায়শ্চিত্য (কাফ্‌ফাৰা) আদায় দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ উদ্ধৃতি সাপেক্ষে হজৰত

হামজা (ৰাঃ)ৰ নুহা কৰাৰ আৰু ইয়াৰ নিষেধ কৰাৰ ঘটনা বৰ্ণনা কৰে। আনছাৰ মহিলা সকলে যেতিয়া হজৰত হামজা (ৰাঃ)ৰ নুহা কৰোঁতে কৰোঁতে আঁহজৰত (ছাঃ)ৰ ওচৰলৈ আহিছিল তেতিয়া তেখেত (ছাঃ)য়ে সিহঁতৰ শলাগ লৈ এনেদৰে নুহা কৰিবলৈ নিষেধ কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অহা পৰহিৰ পৰা ইনশা আল্লাহ নতুন বছৰ আৰম্ভ হ'ব। দোৱা কৰিব আল্লাহ তা'লা যেন এই নতুন বছৰ সকলোৰে বাবে বৰকতময় কৰে। জামাতৰ বাবেও যেন চাৰিওফালেৰে এই বছৰটো কল্যাণময় হয়। শত্ৰু সকলৰ সকলো পৰিকল্পনা যেন আল্লাহ তা'লা ধূলিসাৎ কৰি দিয়ে আৰু গোটা বিশ্বজুৰি বিস্তাৰ লাভ কৰা জামাতবোৰক আল্লাহ তা'লা আগতকৈ অধিক ৰূপে নিজৰে সৃষ্টিৰ উদ্দেশ্য পূৰ্ণ কৰিবলৈ তৌফিক দান কৰক। এনেদৰে সাধাৰণতে দোৱা কৰি থাকক যাতে আল্লাহ তা'লা জগতক আগন্ত যুদ্ধ বিগ্ৰহৰ পৰা ৰক্ষা কৰে।

অৱস্থা বিপদজ্জনকতকৈ বিপদ সংকুললৈ গৈ আছে আৰু ধ্বংসই মুখ মেলি থিয় হৈ আছে। নাজানো, কিয় প্ৰত্যেকেই নিজৰ নিজৰ লাভ বিচৰা হৈছে। আল্লাহ তা'লা কৃপা কৰক। লগতে নিজৰ নিপীড়িত ভাই সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা নতুন বছৰত সকলো ধৰণৰ জুলুছ অত্যাচাৰৰ পৰা জামাতে আহমদীয়াক নিৰাপদে ৰাখে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 30 DEC 2022**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844